দিনাংক- ৩০এপ্ৰিল ২০১৪

**অভিযানসূচী- ৩০ এপ্ৰিল ২০১৪**

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা

আজি অমৃতস্বৰত ভোটদান হ'ব । ৬ সপ্তাহ ধৰি এই গৰমত অমৃতস্বৰত প্ৰচাৰ অভিযান চলোৱাৰ পাছত মই এতিয়া অন্য ৰাজ্যলৈ গৈ প্ৰচাৰ অভিযান কৰিম য'ত এতিয়াও নিৰ্বাচন হ'ব লগা আছে । অমৃতস্বৰত থকা সময়ত আটাইতকৈ ভাল লগা মুহুৰ্ত্ত আছিল ইয়াৰ আহাৰ । অমৃতস্বৰক মই ভাৰতৰ খাদ্যৰ ৰাজধানী হিচাপে গণ্য কৰিছিলো ।

অমৃতস্বৰৰ কুলছা আৰু ছানা ৰাষ্ট্ৰীয়ভাৱে বিখ্যাত । ভাৰতৰ শ্ৰেষ্ঠ কেটাৰাৰে নিজৰ মেনুত অমৃতস্বৰী ধাবা হিচাপে কাউন্টাৰ ৰাখিব'ই । অমৃতস্বৰত কুলছা ছানাৰ লগত দিয়া হয় আৰু ইয়াৰ লগত পিয়াজৰ ছাটনী চহৰৰ সকলো ঠাইত পোৱা যায় । ব্ৰেকফাষ্ট লান্স অথবা ডিনাৰৰ সময়ত কুলছা-ছানা সকলোৰে প্ৰিয় খাদ্য ।

অমৃতস্বৰত এতিয়া ব্ৰেকফাষ্টত পাৰাঠা অথবা পুৰি চবজী দিয়া হয় । এই চহৰৰ পৰম্পৰা আছে যে জনসাধাৰণে পুৰি-ছোলে ঘৰত নাৰান্ধি ওচৰত বিখ্যাত দোকানৰ পৰা কিনি খায় । এই চহৰৰ মুখ্য স্থানত পুৰি-ছোলেৰ বিশেষ হালৱায়ীৰ দোকান আছে । কিন্তু এতিয়া পুৰি-ছোলেৰ বাবে বিখ্যাত দোকন হৈছে লৰেন্স ৰোডৰ কানহাইয়া । ইয়াৰ চাটনী বনাব'লৈ আলু আৰু ছানা মিক্স কৰি দিয়া হয় । সকলোৱে এনেধৰণৰ ব্ৰেকফাষ্ট বিচাৰে কিন্তু ইয়াত হাই কেল'ৰি থকাৰ বাবে সকলোৱে গ্ৰহন কৰিব নোৱাৰে । এনে দোকানত অমৃতস্বৰৰ লচ্ছীও পোৱা যায়, কিন্তু আহোজা আৰু জ্ঞান নমৰ প্ৰতিষ্ঠানে লচ্ছীৰ ক্ষেত্ৰত ভাল নাম অৰ্জন কৰিছে । নিৰামিস খাদ্যৰ বাবে কেচৰ নামৰ দোকন এতিয়াও বিখ্যাত । ভাৰাৱান নামৰ ধাবা পৰ্য্যটক আৰু স্থায়ী বাসিন্দাৰ বাবে প্ৰতিষ্ঠিত নিৰামিস ধাবা ।

আমিসৰ বাবে সুৰজিত নামৰ দোকান এতিয়াও বিখ্যাত । ইয়াৰ তন্দুৰী চিকেন, অমৃতস্বৰী ফিচ আৰু মটন ছেম্পচ্ যথেষ্ট সোৱাদলগা । মাখনৰ মাছৰ কথা ক'বই নালাগে । টেষ্টি চিকেনৰ বাবে বহুতে মোক বীৰা নামৰ দোকানত আহাৰ গ্ৰহণ কৰিব'লৈ কৈছিল । কিন্তু মোৰ দুৰ্ভাগ্য যে মই তাত যাব পৰা নাই ।

জ্ঞানী চাহ দোকানীৰ তাত ৰাতিপুৱা চাহৰ লগত আৰম্ভ হোৱা চৰ্চা চহৰৰ চৰ্চা হৈ পৰে । মোৰ বাবে ই ল'ধী গাৰডেন টি ৰ বিকল্প আছিল ।

মই এনে এটা পৰ্য্যায় কল্পনা কৰিছো যেতিয়া এই সকলো প্ৰতিষ্ঠানে সমগ্ৰ ভাৰতত এটা ব্ৰেণ্ড ভেলু হিচাপে প্ৰতিষ্ঠিত হ'ব ।